**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 0705 Hrs.

## *Assamese Morning Bulletin*
## *HEADLINES*

১। অষ্টাদশ লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন আজি অনুষ্ঠিত হ’ব।

২। কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী লোকসভাত বিৰোধী পক্ষৰ নেতা হ’ব।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্নৰ শক্তিকান্ত দাসে কৈছে যে ভাৰত অৰ্থনৈতিক বিকাশৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ গাঁথনিগত পৰিৱৰ্তনৰ দুৱাৰদলিত উপনীত হৈছে।

৪। ভাৰতৰ কৃষ্ণ প্ৰসাদ গৰাগা আৰু ছাই প্ৰতীকৰ যুটীটোৱে ইউ এছ অ’পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবল্ছৰ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে।

আৰু

৫। ভাৰত কাইলৈ গায়ানাত হ’বলগীয়া আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

অষ্টাদশ লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন আজি অনুষ্ঠিত হ’ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা যোৱাবাৰৰ লোকসভাৰ অধ্যক্ষ ওম বিৰলা এইবাৰো এন ডি এ মিত্ৰজোঁটৰ এই পদৰ প্ৰাৰ্থী হ’ব। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰে। ব্যস্ততাপূৰ্ণ আলোচনা সত্ত্বেও চৰকাৰ আৰু বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে লোকসভাৰ অধ্যক্ষ সৰ্বসন্মতভাৱে আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ’ব লাগে বুলি প্ৰকাশ কৰিছে। সংবাদ ভৱন চৌহদত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে, স্বাধীনতাৰ পাছৰে পৰা এতিয়ালৈকে লোকসভাৰ অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। তেওঁ কয় যে, চৰকাৰে লোকসভাৰ অধ্যক্ষৰ নামক লৈ সহমত গঢ়ি তোলাৰ বাবে লোকসভাত বিভিন্ন দলৰ নেতাসকলৰ সৈতে আলোচনা কৰিছে। তেওঁ কয় যে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অৱশ্যে এই ক্ষেত্ৰত চৰ্ত আৰোপ কৰিছে আৰু উপাধ্যক্ষৰ পদ দাবী কৰিছে। সহমত চৰ্তসাপেক্ষ হ’ব নালাগে বুলি উল্লেখ কৰি শ্ৰীৰিজিজুৱে কয় যে তেওঁলোক উপাধ্যক্ষৰ বাছনিক লৈ সুকীয়া সিদ্ধান্তত উপনীত হোৱাৰ বাবে সাজু আছে। মন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষক তেওঁলোকৰ সিদ্ধান্তৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাই কয় যে অধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা উচিত নহয়, কিয়নো এই পদ কোনো দলৰ নহয়।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কালি সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষৰ বিষয়টো নিৰ্বাচনৰ সময়ত সমাধান কৰা হ’ব বুলি অৱগত কৰোৱা হয়। আনহাতে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু ইয়াৰ বাবে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ’ব লাগিব।

অষ্টাদশ লোকসভাৰ অধিবেশনৰ দ্বিতীয় দিনা কালি কেইবাগৰাকীও নৱনিৰ্বাচিত সদস্যই শপত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু আমোল খোলে, শিৱসেনা সিন্দে গোটৰ ড° শ্ৰীকান্ত সিন্দে, পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ সাংসদ চৰণজিত সিং চান্নি, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদাল ইত্যাদি অন্যতম।

০০০০০০০০০

কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী লোকসভাত বিৰোধী পক্ষৰ নেতা হ'ব। দলৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে কালি বিয়লি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধীয়ে লোকসভাত ৰাহুল গান্ধী বিৰোধী পক্ষৰ নেতা হ'ব বুলি পত্ৰযোগে অস্থায়ী অধ্যক্ষ ভৰ্তৃহৰি মেহতাবক অৱগত কৰিছে। ইপিনে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত কালি আই এন ডি আই মিত্ৰজোঁটৰ সহযোগী দলসমূহৰ নেতাসকলৰ এখন বৈঠক অনুষ্ঠিত হয়।

০০০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কৈছে যে ভাৰত অৰ্থনৈতিক বিকাশৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ গাঁথনিগত পৰিৱৰ্তনৰ দুৱাৰদলিত উপনীত হৈছে আৰু দেশ ৮ শতাংশৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে। মুম্বাইত কালি বোম্বে বাণিজ্য আৰু উদ্যোগ সংঘৰ ১৮৮ সংখ্যক বাৰ্ষিক সাধাৰণ সভা সম্বোধন কৰি শ্ৰী দাসে এইদৰে মন্তব্য কৰে। গৱৰ্নৰগৰাকীয়ে কয় যে ভাৰতৰ বিকাশ গাঁথাত বিভিন্ন ক্ষেত্ৰৰ অৱদান আছে। তেওঁ কয় যে ভাৰতৰ বিকাশ গাঁথাৰ গাঁথনিগত সংস্কাৰৰ অৰিহণা আছে আৰু এইক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰ অন্যতম। আন ভালেমান দেশৰ তুলনাত সামগ্ৰী আৰু সেৱাকৰ ব্যৱস্থা অধিক ক্ষিপ্ৰতাৰে সুস্থিৰ হৈ উঠিছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰী দাসে কয় যে মাহিলী সংগৃহীত সামগ্ৰী আৰু সেৱাকৰৰ পৰিমাণ ১ লাখ ৭০ হাজাৰ কোটি টকা স্পৰ্শ কৰিছে আৰু ইয়াৰ ফলত ব্যৱসায় অধিক সূচল হৈ পৰিছে।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে কৈছে যে আফ্ৰিকা ভাৰতৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় হৈ থাকিব। নতুন দিল্লীত কালি আফ্ৰিকা দিৱস উদযাপন অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে আফ্ৰিকাৰ সৈতে ভাৰতৰ সহযোগিতা কৌশলগত উদ্বেগ আৰু অৰ্থনৈতিক লাভালাভৰ উৰ্ধৰ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দহ দফীয়া পথ প্ৰদৰ্শক নীতি প্ৰস্তুত কৰি আফ্ৰিকাৰ সৈতে ভাৰতৰ সম্পৰ্ক নতুন গতি প্ৰদান কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে শুকুৰবাৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ' টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

0000000

টেক্সাচৰ ফৰ্ট ৱৰ্থ কনভেনচন চেন্টাৰত কালি বি ডব্লিউ এফ ইউ এছ অপেন বেডমিন্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। পুৰুষৰ ডাবলছৰ এখন খেলত ভাৰতৰ কৃষ্ণ প্ৰসাদ গৰাগা আৰু চাই প্ৰতীকৰ যুটিটোৱে স্কট গিল্ডিয়া আৰু পল ৰেনল্ডছৰ আয়াৰলেণ্ডৰ যুটিটোক ২১-১৪, ২১-১২ ব্যৱধানত পৰাস্ত কৰে। মহিলাৰ ডাবলছৰ এখন খেলত আজি আবেলি ট্ৰিচা জলি আৰু গায়ত্ৰী গোপীচান্দৰ যুটিটোৱে চীনা টাইপেইৰ পি চেইহ আৰু ই হাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাৰ্তিকে গুলচন কুমাৰে যোৱা নিশা চীনা টাইপেইৰ জে লিয়াওৰ হাতত ১৯-২১, ১৩-২১ ব্যৱধানত পৰাজিত হোৱাৰ পিছত পুৰুষৰ একক কোৱাৰ্টাৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ অসমৰ্থ হয়। অলিম্পিকলৈ এমাহৰো কম সময় বাকী থকা অৱস্থাত পেৰিছ অভিমুখী ভাৰতীয় খেলুৱৈ পি ভি সিন্ধু, এইচ এছ প্ৰণয়, লক্ষ্য সেন, সাতৱিকচাইৰাজ ৰেংকিৰেড্ডী, চিৰাগ চেট্টী, অশ্বিনী পোনাপ্পা আৰু তানিশা ক্ৰেষ্টোয়ে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা নাই।

0000000

আফগানিস্তান কাইলৈ পুৱা ত্ৰিনিদাদৰ ব্ৰায়নলাৰা ষ্টেডিয়ামত হ'বলগীয়া আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। আনহাতে, ভাৰত কাইলৈ নিশা গায়ানাত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

000000000

**সমাপ্ত**